# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ২১/২০২০

## এপিডিচিএলৰ লিখিত পৰীক্ষা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ তদন্তৰ নিৰ্দেশ

**দিছপুৰ, ২২ জানুৱাৰী ঃ** এপিডিচিএলৰ তৃতীয় বৰ্গ আৰু চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তিৰ বাবে অনুষ্ঠিত হোৱা লিখিত পৰীক্ষাৰ তদন্তৰ নিৰ্দেশ দিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

উল্লেখ্য যে এপিডিচিএলৰ তৃতীয় বৰ্গৰ আৰু চতুৰ্থ বৰ্গৰ চাকৰিত মকৰলৰ বাবে বিগত বৰ্ষৰ ২৮ এপ্ৰিলত যি লিখিত পৰীক্ষা অনুষ্ঠিত হৈছিল সেই সন্দৰ্ভত এপিডিচিএলত কৰ্মৰত ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ বাবে এই পৰীক্ষা উক্ত দিনৰ ২ বজাৰ পৰা ৪ বজালৈ আৰু নতুনকৈ আবেদন কৰা প্ৰাৰ্থীসকলৰ বাবে এই লিখিত পৰীক্ষা ৰাতিপুৱা ১০ বজাৰ পৰা ১২ বজালৈ অনুষ্ঠিত হৈছিল। কিন্তু নতুনকৈ আবেদন কৰা প্ৰাৰ্থীসকলৰ বাবে অনুষ্ঠিত হোৱা পৰীক্ষা সন্দৰ্ভত কিছু সংখ্যক অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ নিৰ্দেশ ক্ৰমে ৰাজ্য চৰকাৰে এই সমগ্ৰ বিষয়টো পৰীক্ষা কৰাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাক দায়িত্ব অৰ্পণ কৰিছে।

আনহাতে ইতিমধ্যে এপিডিচিএলত কৰ্মৰত ঠিকাভিত্তিক প্ৰাৰ্থীসকলৰ লিখিত পৰীক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ অভিযোগ উত্থাপিত নোহোৱাৰ পৰিপ্ৰেক্ষিতত এই সকল ঠিকাভিত্তিক কৰ্মচাৰীৰ মকৰলৰ দিশত থকা বিলম্বতা আঁতৰাই তেওঁলোকৰ উত্তৰবহী সমূহ মূল্যায়নৰ বাবেও পদক্ষেপ লোৱা হৈছে। উল্লেখ্য যে এই প্ৰাৰ্থীসকলৰ উত্তৰ বহী সমূহ ষ্ট্ৰং ৰূমত সুৰক্ষিত হৈ আছে। ৰাজ্য চৰকাৰে এই লিখিত পৰীক্ষাৰ উত্তৰ বহী সমূহ কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ দ্বাৰা মনোনীত এগৰাকী কাৰ্যবাহী দণ্ডাধীশৰ সন্মুখত উলিয়াই আনি অভিজ্ঞ পৰীক্ষকৰ দ্বাৰা মূল্যায়ন কৰাৰ ব্যৱস্থা কৰিবলৈ কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে।

**বঃভাঃ / পুঃডেঃ**
২২/০১/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in